# এইবাৰ নিৰ্বাচনত দক্ষিণ নগাঁৱৰ কেতবোৰ টুকুৰা ছবি

বিশেষ প্ৰতিনিধি

হোজাই মহকুমাৰ অন্তৰ্গত ৯০ নং যমুনামুখ, ৯১ নং হোজাই আৰু ৯২ নং লামডিং বিধান সভা এলেকাটো জনতাগহৰৰ বাদে যোৱা ৩৮ বছৰেই পূৰ্বৰ কংগ্ৰেছ তথা বৰ্তমানৰ কংগ্ৰেছ (ই)ৰ খাচ দখলত থকাৰ মূল কাৰণ হ'ল এই অঞ্চলৰ জনসংখ্যাৰ প্ৰথম বৃহৎ অংশ হ'ল ধৰ্মীয় সংখ্যালঘু তথা দ্বিতীয় বৃহৎ অংশ হ'ল ভাষিক সংখ্যালঘু লোকসকল। কিন্তু বিভেদ আনিলে কংগ্ৰেছ (ই)ৰ মাজত নতুনকৈ গঠন হোৱা সংযুক্ত সংখ্যালঘু মৰ্চা নামৰ দলটোৱে অসম চুক্তিক লৈ। একেটা কাৰণতেই এই সংখ্যালঘু মৰ্চাই এই অঞ্চলৰ গৰিষ্ঠ সংখ্যক সংখ্যালঘুৰ এক অংশৰ মাজত প্ৰায় সোমাই পৰা অসম গণ পৰিষদৰ প্ৰতিও বিৰক্তিৰ ভাব জগাই তুলিলে। প্ৰাপ্ত সংবাদ অনুসৰি এই সংখ্যালঘু মৰ্চাই ধৰ্মীয় সংখ্যালঘু লোকসকল, যিসকলৰ মাজত অসম গণ পৰিষদৰ চিন্তা সোমাইছিল, সেইসকলক হেনো ধৰ্মীয় গোৰামীৰ গইনা লৈ ধৰ্মীয় সংখ্যালঘুৰ মচজিদত আল্লাৰ নামত ধৰ্মৰ নামত সংখ্যালঘু মৰ্চাক ভোট দিবলৈ শপথ খুৱায়। আনহাতে অসম গণ পৰিষদৰ হোজাই জিলা শাখাৰ সভাপতি মঃ জমিৰউদ্দিনে এই সংবাদদাতাক জানিবলৈ দিয়া মতে সংখ্যালঘু মৰ্চাৰ লোক



সমগ্ৰ অসমতে ভোট গ্ৰহণ কেন্দ্ৰত এনে ভীৰ পৰিলক্ষিত হৈছিল

সকলৰ মাজত থকা চোৰাংকাৰবাৰ কৰা বিশেষ দুজন লোকে মধ্য-প্ৰাচ্যৰপৰা অহা ধৰ্মীয় অনুদানৰ ধন আনি হেনো সংখ্যালঘু মৰ্চাৰ নিৰ্বাচনী কাৰ্যত ব্যবহাৰ কৰা হৈছিল। আন এক প্ৰাপ্ত অভিযোগ মতে এই ধন কেতবোৰ দালালে ভাগ-বতোৱাৰা কৰি লৈছিল, কিন্তু তাৰে এচাম দালালৰ এই ধনৰ ভাগ কম বেচি হোৱাত হেনো থকা-খুন্দা লাগি এচাম মৰ্চাৰপৰা ওলাই আহি ঠায়ে ঠায়ে কংগ্ৰেছ (ই)তো ভোটদান কৰিছিল। আনহাতে পমুৱা প্ৰধান তথা সংখ্যালঘুৰ ঘাটিবিলাকত নিৰ্বাচনী প্ৰতীক

## ভোটৰ বাকচত ভূত

৯২ নং লামডিং বিধান সভা সমষ্টিৰ ১২ নং ভোট কেন্দ্ৰৰ ভোট দান হয় ৫৪০ টা। তাৰ সংখ্যালঘুৱে পায় ১৮৬, কংগ্ৰেছ (এছ)—২৬, কং (ই)—৪৮, বি. জে. পি—১১, চি.পি. এম—২২১, গণ পৰিষদ— ১৮, নষ্ট হয় ৩১ টা ভোট। সৰ্বমুঠ গণনা কৰিলে ৫৪১ টা ভোট হোৱাত এখন বেলট কাকত অধিক পোৱা হয়। আনহাতে লোকসভাৰ সমান সংখ্যক ভোটাৰৰ আকৌ ৫০ খন বেলট পেপাৰ কম ওলায় অৰ্থাৎ লোকসভাৰ বেলট কাকত ৪৯০ খনহে বেলট বাকচত ওলায়।

'মৈ'য়ে (প্ৰকৃততে জখলা) বেচ দৃষ্টি আকৰ্ষণ কৰিছিল, কিয়নো কৃষিজীৱি জনসাধাৰণৰ মাজত সংখ্যালঘুৰ নিৰ্বাচনী গীত—


"হাতী যাবে পানীমুৰ
হাতে যাবে তেজপুৰ
মৈ যাইবে দিচপুৰ"

জাতীয় গীতে বেচ আকৰ্ষণীয় আমেজ দিব পাৰিছিল। যি কি নহওক, শতকৰা ৮৫/৯০ জন অশিক্ষিত সংখ্যালঘু লোকৰ মাজত এই গীতে ভোট গোটোৱাত বেচ অৰিহণা যোগালে।

আনহাতে এই নিৰ্বাচনত নিচিহ্ন প্ৰায় হোৱা চি. পি. এম দলে এইবাৰ নিৰ্বাচনী প্ৰচাৰত মূল ভেটি হিচাবে অসম গণ পৰিষদৰ বিৰুদ্ধে লৈলে নেলীৰ হত্যাকাণ্ডক। চি. পি. এমৰ সমৰ্থকসকলে বিশেষকৈ ধৰ্মীয় সংখ্যালঘু অধ্যুষিত অঞ্চলত অসম আন্দোলনৰ নেতৃবৃন্দ তথা বৰ্তমান গণ পৰিষদৰ প্ৰাৰ্থীসকলক হেয় কৰিবৰ বাবে নিচ মনোবৃত্তিৰে নেলীৰ হত্যাকাৰী আখ্যা দি নেলীৰ হত্যাকাণ্ডৰ একো-একোজন নায়ক সজালে। অবশ্যে এই প্ৰচাৰত তেওঁলোকে কোনো কোনো ক্ষেত্ৰত কংগ্ৰেছ (ই)কো জগৰীয়া নকৰাকৈ থকা নাছিল। তেওঁলোকে দেৱালত লিখা দেখা গৈছিল—

"নেলীৰ কবৰে
উঠছে আৱাজ
কংগ্ৰেছ (ই) চৰকাৰ
ধোকাবাজ।"


এনেবোৰ প্ৰচাৰতেই দক্ষিণ নগাঁৱৰ ছটামান সমষ্টিত যদিও অসম গণ পৰিষদৰ প্ৰাৰ্থী জয়ী হোৱাৰ আশা আছিল, কিন্তু সংখ্যালঘু মৰ্চা আৰু চি. পি. এমৰ এনেবোৰ প্ৰচাৰতে সেই আশা হেৰাই গ'ল। আনহাতে হাতৰ কুঠাৰ ভৰিত মাৰি



'হাতী যাবে পানীমুৰ…'

চি. পি. এম দলেও তেওঁলোকৰ সম্ভাবনাপূৰ্ণ ৯২ নং লামডিং সমষ্টিৰ দখল হেৰুৱালে।

আনহাতে এই কথা অপ্ৰিয় হ'লেও সঁচা যে এই হোজাই মহকুমাৰ দায়িত্বত থকা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া হোজাইৰ মহকুমাধিপতিজন আৰু পুলিচ সেৱাৰ বিষয়া হোজাই মহকুমা পুলিচ বিষয়াজনৰ গতিবিধি লক্ষ্য কৰিলে ওলাই পৰে যে তেওঁলোকে কংগ্ৰেছ (ই) দলৰ হৈ ক্ষেত্ৰিয়াবাৰেপৰা কাম কৰি আছিল। প্ৰাপ্ত অভিযোগ মতে হোজাই মহকুমা নিৰ্বাচনী অস্থায়ী কাৰ্যালয়ত ভোট গণনা হৈ থকা অৱস্থাত ১৮ ডিচেম্বৰৰ দিনা নিশা প্ৰায় ৯ বজাত কংগ্ৰেছ (ই) দলৰ লোক বুলি সন্দেহ কৰা এজন লোকে ভুৱা গণনাকাৰীৰ বেজ পিন্ধি হোজাই সমষ্টিৰ ভোট গণনা কোঠাত গণনাৰ কামত লাগি থাকোঁতে নগাঁও লোকসভা সমষ্টিৰ সংখ্যালঘু



'… মৈ যাইবে দিচপুৰ'

মৰ্চাৰ প্ৰাৰ্থী আব্দুল ৰৌফ হাজীয়ে ধৰা পেলাই প্ৰসাশনক গটাই দিয়াতো হেনো কোনো ব্যৱস্থা প্ৰশাসনে নল'লে। সেই ঠাইত অৰ্থাৎ ভোট গণনা কেন্দ্ৰৰ চৌহদত হোজাইৰ মহকুমাধিপতিৰ অনুমতিত খবৰ সংগ্ৰহৰ বাবে থকা এই সংবাদদাতাই উপৰুক্ত খবৰৰ সত্যাসত্য জানিবৰ বাবে হোজাই মহকুমা পুলিচ বিষয়াৰ কাষ চপাত তেওঁ ঘটনাটোৰ কথা দেখা দেখকৈ অস্বীকাৰ কৰে। সেই হোজাই মহকুমা পুলিচ বিষয়া মিঃ আও তাতে ক্ষান্ত নাথাকি এনেধৰণৰ তেওঁলোকৰ অপকাৰ সাধিব পৰা খবৰ বাতৰিকাকতে গম পাব বুলি সন্দেহ কৰি এই সংবাদদাতাক সেই ঠাই পৰিত্যাগ কৰি ঘৰত গৈ শুই থাকিবলৈও নিৰ্দেশ দিয়ে। এনে সামান্য এজন মহকুমা পুলিচবিষয়াই সাংবাদিকৰ ওপৰত এনে অশোভনীয় আচৰণ দেখুৱাৰ সাহস ক'ত পালে ?

এইবাৰ হোজাই মহকুমাৰ নিৰ্বাচনৰ আটাইতকৈ লক্ষ্য কৰিবলগীয়া কথা যে কংগ্ৰেছ (ই) দলে কেইবোৰ সংখ্যালঘু মৰ্চাৰ আশা কৰিব নোৱৰা প্ৰাৰ্থীৰ হাতত শোচনীয়ভাবে পৰাজয় স্বীকাৰ কৰিব লগা হোৱাটো। □□

ইমানদিনে কিছুমান ভিতৰ অঞ্চলৈলৈ নিৰ্বাচন কৰ্মী আৰু যন্ত্ৰবস্তু কঢ়িয়াবলৈ হাতী ব্যৱহাৰ কৰা হৈছিল। এইবাৰ অসম গণ পৰিষদৰ নিৰ্বাচনৰ প্ৰতীক হাতী হোৱাৰ বাবে নিৰ্বাচন কমিচনে সেইবোৰ ঠাইলৈ নিৰ্বাচন কৰ্মী আৰু যন্ত্ৰবস্তু কঢ়িয়াবৰ বাবে হাতীৰ ব্যৱহাৰ নিষেধ কৰি দিছিল। অসম গণ পৰিষদৰ প্ৰচাৰত প্ৰায় প্ৰতিটো সমষ্টিত একোটাকৈ হাতী ভাড়া কৰি তাৰ গাত প্ৰচাৰ-পত্ৰিকা আঁৰি অঞ্চলবোৰত প্ৰচাৰকাৰ্য চলাইছিল।



OKDISCD